# বৃত্তি জীৱনৰ অভিজ্ঞতাৰ অন্বেষন

❑ শ্ৰীমতী জ্যোৎস্না চৌধুৰী
অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী

'আসাম ত্ৰিবুউণ' কাকতত - কামাখ্যা বিদ্যালয়ৰ শিক্ষক বিচাৰি কৰা বিজ্ঞাপন এটা পাই চাকৰি কৰাৰ মানসেৰে জীৱনৰ - প্ৰথম আবেদন পত্ৰখন প্ৰেৰণ কৰিছিলো। ইয়াৰ কিছুদিন পাছত লিখিত আৰু মৌখিক বাচনি পৰীক্ষাত উত্তীৰ্ন হৈ Assamese Language teacher হিচাপে মোৰ চিৰ নমস্য জীৱনৰ প্ৰথম কৰ্মস্থলী কামাখ্যা বিদ্যালয়ত যোগদান কৰিছিলো। সেয়া ১৯৭৫ চনৰ এপ্ৰিল মাহৰ কথা। সেই সময়ৰ পবিত্ৰ ধাম কামাখ্যা বিদ্যালয়ৰ প্ৰধান শিক্ষক আছিল স্বনাম ধন্য ব্যক্তি শ্ৰদ্ধেয় শ্ৰীযুত অনিল কুমাৰ সোম।

আজি ভাবিলে আচৰিত লাগে সময়ৰ সোঁতত এই সুদীৰ্ঘ কাল কিদৰে অতীত হৈ গ'ল। সেই সময়ৰ পৰা আজিলৈ কামাখ্যা বিদ্যালয়ক কেন্দ্ৰ কৰি মোৰ অন্তৰৰ মনি কোঠাত অজস্ৰ স্মৃতি সজীৱিত হৈ আছে। আজিৰ তুলনাত সেই সময়ৰ এটা আকাশ-পাতাল পাৰ্থক্য আছে। আজিৰ দৰে বিদ্যালয় বা ইয়াৰ আশে-পাশে নাছিল বিশেষ সুবিধা। এটা নীড়ল পৰিবেশ, মোৰ সহকৰ্মী শিক্ষক-শিক্ষয়িত্ৰী আৰু আকৰ্ষনীয় ব্যৱহাৰৰ মৰমৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত পাইছিলো বহুত কিবা-কিবি। সহকৰ্মী সকলৰ আত্মীয়তা ভৰা সহযোগ আৰু ছাত্ৰ-ছাত্ৰী সকলৰ আগ্ৰহে অনভিজ্ঞ মোক এ গৰাকী শিক্ষয়িত্ৰী ৰূপে প্ৰতিস্থিত কৰাত যথেষ্ঠ সুযোগ দিছিল। গতিকে ছাত্ৰ-ছাত্ৰী সকলক পঢ়াব পৰাটো মোৰ বাবে গুৰু দায়িত্ব গন্য হৈছিল। সেই সময়ত বিদ্যালয়ত মাত্ৰ সপ্তম শ্ৰেণীলৈহে অসমীয়া বিষয় পঢ়োৱা হৈছিল। ছাত্ৰ-ছাত্ৰী সকলৰ অসমীয়া বিষয় পঢ়াৰ যথেষ্ঠ আগ্ৰহ আছিল। মোৰ বৃত্তি জীৱনত প্ৰৱেশিকা পৰীক্ষাত অৱতীৰ্ণ হোৱা প্ৰথমচাম ছাত্ৰ-ছাত্ৰী সকলৰ অসমীয়া ঐছিক বিষয় হিচাপে লোৱা এমুঠি ছাত্ৰৰ আটাইবোৰ গৰাকীয়ে বিষয়টোত কৃতিত্ব দেখুৱাই উত্তীৰ্ণ হৈছিল। সেয়া অনভিজ্ঞ মোৰ বাবে ক'ম গৌৰৱৰ কথা নাছিল।

কৰ্মস্থলী মালিগাওঁৰ এই বিদ্যালয় খনৰ পৰা কালাপাহাৰ অঞ্চলত থকা মোৰ বাসস্থান বহু দূৰবৰ্তী হোৱাত আৰু সেইসময়ৰ অসুচল যাতায়ত ব্যৱস্থাই বহু সময়ত মোক আহুকালত পেলাইছিল। নাছিল আমাৰ কালৰ পৰা চিটি বাছ, ৰিক্সাও সীমিত, বিচাৰিলেও পোৱা নগৈছিল। সময়ওকৈ বহু আগতেই ঘৰৰ পৰা ওলাই গৈ সময়মতে স্কুল পাইছিলো যদিও ঘুৰি অহাৰ সময়ত বিশেষকৈ জাৰকালি আৰু বৰষুন বতৰত ঘৰ পাওঁমানে আন্ধাৰেই হৈছিল। ভৰলুনদীৰ পাৰে পাৰে ঘৰলৈ যোৱা ৰাস্থা, সেই সময়ত আজিৰ দৰে নাছিল মানুহৰ বসতি এফালে এখন বিৰাট কবৰখানা ও অতিক্ৰম কৰিব লগাত পৰিছিলো; সেই সময়ত এই ঠাইবোৰ ভয়ৰো কাৰণ আছিল। অ-সামাজিক আড্ডা কিছুমানো আছিল। নাছিল আজিৰ দৰে মোবাইল ফোন, সীমিত মানুহৰ ঘৰতহে আছিল ফোনৰ ব্যৱস্থা। অনাথৰ হৰি সহায়ৰ দৰে

'দিলচান্দ' নামৰ বিহাৰী বয়সীয়া ৰিক্সাৱালা এজনৰ লগত মোৰ পৰিচয় হৈছিল আৰু অভিভাৱকৰ দৰে সি মোক ভয়লগা ঠাইবোৰ পাৰ কৰাই আনিছিল - অৱশ্য তাক লগ পালেহে ..। ভৰলুমুখ বাছ আস্থানত 'দিলছান্দ' ৰিক্সাৱালাই বাছৰ পৰা নমাৰ লগে লগে আগবাঢ়ি আহি তাৰ ৰিক্সাত প্ৰায়ই উঠাইছিল। সঁচাকৈ সি মোৰ বাবেই ৰৈ আছিল যেন মই অনুভৱ কৰিছিলোঁ। এতিয়াও তাৰ স্মৃতি মোৰ মনৰ মাজত বৰ মৰম আৰু কৃতজ্ঞতাৰে সজীৱ হৈ আছে। স্কুলত চাকৰি কৰাৰ দুইবছৰ মানৰ ভিতৰত বিদ্যালয়তে কাম কৰা বয়জেষ্ঠা 'সিন্হা দিদিমনি' (ঁস্নেহলতা সিন্হা) কালাপাহাৰ অঞ্চলত মাটিঘৰ কিনি থাকিবলৈ লোৱাত স্কুলত আহিবলৈ এগৰাকী সঙ্গী লাভত বৰ উপকৃত হৈছিলো। 'দিদিমনি' সুন্দৰী আৰু বৰ মৰমীয়াল আছিল। মোৰ ক্লাচবোৰ প্ৰায়ই শেষৰ ফালে আছিল যদিও দিদিমনিয়ে মোৰ বাবে ৰৈ থাকি সঙ্গ দিছিল। সময়ত দিদিমনি আৰু মই ইজনে সিজনক সাহস আৰু প্ৰেৰনাৰ থলী হৈ পৰিছিলো। ৰিক্সা নাপালে আমি নাতিদীৰ্ঘ পথ উলিয়াই খোজ কাঢ়িয়ে ঘৰ ওলাব লগা হৈছিল। এনে অৱস্থাত কিছুমান জলাশয়ৰ ওপৰেৰে মাত্ৰ এডাল বাঁহৰ ওপৰেৰে পাৰ হৈ অহাৰ অভিজ্ঞতা ও আছে। এনেকৈ আহতে দিদিমনিৰ পতিয়ে ও আমাৰ লগত তেনে কষ্টৰে আহঁতে তেওঁ পাৰ হব নোৱাৰাত 'দিদিমনিয়ে সাহসেৰে হাতত ধৰি পাৰ কৰোৱা দৃশ্য মোৰ বাবে বৰ আনন্দজনক আছিল। বহু সময়ত হঠাৎ হোৱা ধুমুহা বতাহৰ সন্মুখীন হৈ ও হাৰাশাস্তি খাইছিলো। এবাৰ এনে এটা হঠাৎ অহা ধুমুহা বতাহে ৰিক্সাৱালাই ৰিক্সা চলাব নোৱাৰি আৰ্য বিদ্যাপীঠ কলেজৰ গেটৰ ওচৰত ৰখাই দিবলৈ বাধ্য হোৱাত আমি দুয়ো আশ্ৰয় লবলৈ আৰ্য গেটেৰে সোমাব খুজি বিপৰীত মুখী বতাহ বৰষুনৰ পৰা বাৰে বাৰে বাধাগ্ৰস্থ হৈ তিতিৰবি অৱস্থা নোহোৱা হৈছিলো। সাধু যেন লগা অজস্ৰ এনে ঘটনাই বিপদত পেলাইছিল যদিও এইবিলাকৰ মাজত আমোদো পাইছিলো। 'দিদিমনি' আজি নাই যদিও তেওঁৰ সান্নিধ্যৰ অজস্ৰ স্মৃতি মই ভক্তি আৰু কৃতজ্ঞতাৰে আজিও অন্তৰত সাঁচি ৰাখিছো। 'দিদিমনি' আমাৰ পৰিয়ালৰো বৰ আপোন হৈ পৰিছিল। অৱশ্য সেই সময়ৰ প্ৰত্যেক গৰাকী সহকৰ্মীৰ পৰা পোৱা মৰম স্নেহ সহায়ৰ কথা মই পাহৰিব নোৱাৰো। সেই সময়ৰ পানবজাৰৰ বাসিন্দা ঁবন্দিতা কৰে সৰু সৰা কাম কিছুমানত সহায় কৰাৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলে যাতে অনভিজ্ঞ মোক নতুন বুলি অসুবিধাত পেলাব নোৱাৰে তালৈ লক্ষ ৰাখিছিল বুল মই জানিব পাৰি বৰ কৃতজ্ঞ হৈছিলো। প্ৰায়বোৰ অভিজ্ঞতাই আছিল মোৰ বাবে নতুন আৰু উপভোগ্যও ।আজিৰ পৰিবেশ আৰু সেইসময়ৰ পৰিবেশৰ মাজত আকাশ পাতাল পাৰ্থক্য। চাঁহ-পানী খাবলৈ বিদ্যলয়ৰ ওচৰত বিশেষ সুবিধা নথকাত ঘৰৰ পৰা প্ৰত্যেকেই খোৱা পানী কে আদি কৰি প্ৰয়োজনীয় বস্তুবোৰ আনিছিলো আৰু আমাৰ মাজত একেখন পৰিয়ালৰ দৰে টিফিন টাইমত ভগাই খাই বৰ তৃপ্তি পাইছিলো।

বিদ্যালয়ৰ চাৰিবেৰ পাৰ হৈ প্ৰয়োজনৰ তাগিদাত চুবুৰীয়া প্ৰতিবেশীৰ লগতো অহা যোৱা সম্পৰ্কৰ মাজেৰে গঢ় লৈ উঠিছিল মোৰ এটা আত্মীয়তাভৰা মধুৰ সম্পৰ্ক। মোৰ জীৱনত সেই সকলৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰিম। কিছুদিন নগলে তেওঁলোকে পদূলীমূৰত ৰৈ মোৰ খবৰ লৈছিল। তেওঁলোকক বহুতে মালিগাঁও এৰি যোৱাৰ পাছতো মোৰ লগত সম্পৰ্ক ৰক্ষা কৰি আছে।

চাকৰিজীৱনৰ বহু সময়ত তিতা কেহা অভিজ্ঞতা যে মই লাভ কৰা নাছিলা এনে নহয়। সেই অপ্রিয় মুহূৰ্ত্ত সময়ত ঠিক কৰি লৈছিলো। চাৰি গৰাকী প্ৰধান শিক্ষকৰ অধীনত কাম কৰাৰ সুযোগ পাইছো। সেইসকলৰ লগতো মোৰ সু-সম্পৰ্কই আছিল।

ছাত্র-ছাত্রী আৰু শিক্ষকৰ মাজত যে এটা বন্ধুত্বপূর্ণ মধুৰ সম্পৰ্ক গঢ় লৈ উঠিব পাৰে সেয়া হয়তো শিক্ষকতা অবিহনে মোক অনুভৱ কৰাৰ সৌভাগ্য নহ'লহেতেন। মোৰ প্ৰাক্তন ছাত্র-ছাত্রী সকলক যি কোনো ঠাইতে লগ পালে, সেই সকলত বিষয়ে ভাল কিবা এটা জানিলে কি যে আনন্দ লাভ কৰো - আৰু বহুসময়লৈ সেই অনুভৱে সজীৱ ৰাখে মন।

অন্যান্য বৃত্তিতকৈ ব্যতিক্ৰমী বৃত্তি চিকিৎসক, খেতিয়ক আৰু শিক্ষকতা বুলি জানো। কিয়নো ৰোগীৰ সহযোগ অবিহনে ভাল চিকিৎসক হব নোৱাৰা, উপযুক্ত ভাল মাটি অবিহনে সফল খেতিয়ক হব নোৱাৰাৰ দৰে শিক্ষক সকলে ও ছাত্র-ছাত্রীৰ সহযোগ অবিহনে এজন সফল শিক্ষক হোৱা টান। গতিকে উপযুক্ত শৈক্ষিক পৰিবেশ গঢ় দিবলৈ, ছাত্র-ছাত্রীৰ পূৰ্ণ সহযোগ লাভ কৰিবলৈ শিক্ষক সকল আদৰ্শবান হবই লাগিব। সেইবাবে আত্ম সমালোচনাৰ মাজেৰে নিজক বিচাৰ কৰা উচিত হব। তেতিয়া শিক্ষকৰ আদৰ্শই ছাত্র-ছাত্রীসকলক অজানিতে অনুশাসন মানি চলিব বাধ্য কৰিব আৰু শ্ৰদ্ধাভাজন হবলৈ শিকাব। কিন্তু অতি পৰিতাপৰ বিষয়,সঘনাই সংবাদ মাধ্যমৰ যোগেদি - জানিবলৈ পোৱা মতে শিক্ষাৰ দৰে এটা পবিত্ৰ বৃত্তিত জড়িত কিছু নীচ প্ৰবৃত্তিৰ শিক্ষকৰ অসামাজিক কৰ্মই আমাৰ সমগ্ৰ শিক্ষক শ্ৰেনীকে অতি লজ্জিত কৰি তুলিছে। গতিকে ভবিষ্যত প্ৰজন্মৰ স্বাৰ্থত সমাজ নিৰ্মাতা ৰূপে পৰিচিত শিক্ষক সকলৰ দায়িত্ব অতি গধুৰ হৈ পৰিছে বুলি অনুভৱ হয়। আত্মবিশ্লেষনেৰে শৈক্ষিক পৰিবেশ পবিত্ৰ কৰিব নোৱাৰিলে নতুন প্ৰজন্মৰ প্ৰতিভা বিকাশত বাধাৰ সৃষ্টি হব।

মালিগাঁও অঞ্চলত অতীতৰ পৰাই কামাখ্য বিদ্যালয়ৰ যি এটা সুনাম আছে সেয়া যেন ভবিষ্যতলৈ ও অটুট থাকে তাৰ বাবে শিক্ষকৰ লগতে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সকলেও সচেতন হব লাগিব। যতেই নাথাকো মই , কামাখ্যা বিদ্যালয়ৰ উন্নতি মোৰ চিৰ কাম্য।

---

" শিক্ষা হচ্ছে মানুষের ভিতর যে পূর্ণতা
প্রথম থেকেই বিদ্যমান, তারই প্রকাশ ।"

— স্বামী বিবেকানন্দ